بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২ আগষ্টত হাদিকাতুল মেহেদিৰ জলছা ফিল্ডত (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ তায়ালা আমাক আজি আকৌ বৃটেইনৰ জলছাত যোগদান কৰাৰ তৌফিক দান কৰিছে। যোৱা মাহত জাৰ্মানী কানাডা আৰু আমেৰিকাৰ বাৰ্ষিক জলছা অনুষ্ঠিত হৈ গৈছে লগতে বিশ্বৰ বহু দেশত এই জলছা অনুষ্ঠিত হৈ আছে। আমি প্ৰত্যেক ঠাইতেই হজৰত মছিহ মাওউদ (আঃ)ৰ সৈতে থকা আল্লাহ তায়ালাৰ সহায়, কৃপা আৰু প্ৰতিশ্ৰুতি বৰ মৰ্যদাৰ সৈতে পূৰ্ণ হোৱা দেখিবলৈ পাই আছো। আনহাতে বৃটেইনৰ বাৰ্ষিক জলছাৰ এই হিচাপে এটা নিজাবৰীয়া মৰ্যাদা আছে যে গোটেই বিশ্বৰ এটা মনোযোগ সম্পৰ্কীয় দৃষ্টি এই ফালে আছে। আহমদী, আৰু অ-আহমদী সকলোৱে এই জলছাৰ প্ৰতি দৃষ্টি পাত কৰে। গতিকে প্ৰতেক দিশৰে এই জলছাক আন্তৰ্জাতিক জলছাৰ মৰ্যাদা দিয়া হয় কাৰণ খিলাফতৰ কেন্দ্ৰ ইয়াতেই অৱস্থিত। গোটেইখন বিশ্বৰ বিভিন্ন দেশৰ আহমদী, আৰু অ-আহমদী লোকে সকলে বৃটেইনৰ এই জলছাত অংশগ্ৰহন কৰিবলৈ চেষ্টা কৰে। সেই হিচাপে এই জলছাৰ কৰ্ম বৃন্দৰ দায়িত্ব বহুত বাঢ়ি গৈছে। গতিকে ইয়াৰ ব্যাৱস্থাপনাত বিশেষ তত্ত্বাৱধানৰ প্ৰয়োজন আছে। সেয়ে মই জলছা লাগিব পৰিচালনাৰ কৰ্মী বৃন্দ আৰু ডিউটিৰত সকলৰ কৰ্তব্য আৰু দায়িত্বৰ ফালে মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। গতিকে এতিয়া মই এই বিষয়ে দু-এষাৰ কবলৈ ওলাইছো।

আল্লাহ তায়ালাৰ কৃপাত যোৱা ৩৫ বছৰ ধৰি অৰ্থ্যাৎ যেতিয়াৰ পৰা খিলাফতৰ কেন্দ্ৰস্থল ইয়ালৈ স্থানান্তৰিত হৈ আহিছে, খিলিফা ওয়াক্তৰ উপস্থিতিত এই জলছা অনুষ্ঠিত হৈ আহিছে আৰু বৃটেইনত থকা আহমদী ডেকা, বুঢ়া, ছোৱালী মহিলা সকলোৱে জলছাৰ সকলো ব্যাৱস্থা, যা-যোগাৰ আদি কৰি আহিছে আৰু নিজৰ ইচ্ছা অনুযায়ী আনন্দ মনেৰে নিজৰ কৰ্তব্য পালন কৰি আহিছে। আজি মই দেখিবলৈ পাইছো যে ব্যাৱস্থাপনাৰ ক্ষেত্ৰত ইয়াৰে কৰ্মীবৃন্দই সম্ভৱত ৰাবোৱাৰ কৰ্মীসকলৰ দৰে সহায় সহযোগিতা কৰাৰ উদ্দীপনা ৰাখিছে। কত সেই সময় আছিল যে চাৰি,পাঁচ হাজাৰ লোকৰ আহাৰ আদিৰ যোগান ধৰাটোৱে পৰিচালক সকলৰ বাবে কঠিন হৈ পৰিছিল আৰু ৯০% শতাংশ ৰুটি বজাৰৰ পৰা কিনি আনিব লগা হৈছিল কত ! এতিয়া আল্লাহ তায়ালাৰ কৃপাত পয়ত্ৰিছ চল্লিছ হাজাৰ লোকৰ ৰুটি এওঁলোকে নিজেই বনাই আছে। লাখ লাখ ৰুটি বনোৱা হৈ আছে। মাজে সময়ে মই সেয়া পৰীক্ষা কৰি দেখিছো, অতিথি সকলেও খাবলৈ ভাল পায়, আৰু মইও এনে ৰুটি খাবলৈ ভাল পাওঁ। এতিয়া যি ৰুটি বনোৱা হয় সেয়া আগৰ দিনৰ ৰুটিতকৈ বহু উন্নত মানৰ ৰুটি। আল্লাহ তায়ালা এই সকল যুৱকক, যি সকলে দিনে ৰাতিয়ে এই কাম কৰি আছে, তেওঁলোকৰ দক্ষতা আৰু বঢ়াই দিয়ক আৰু জ্ঞান, বিবেক, ধৈৰ্য্য দান কৰক। যাতে এওঁলোকে জলছালৈ অহা অতিথি সকলৰ আগতকৈ বেছি ভালদৰে আলপৈচান ধৰিব পাৰে।

এনেদৰে বাৰ্বুচি খানাত বাৰ্বুচি টামে নিজৰ নিজৰ ইনচাৰ্জৰ সৈতে বৰ পৰিশ্ৰম আৰু মনোযোগেৰে কাম কৰি আছে। আকৌ এই বাৰ্বুচিখানাত (লঙ্গৰখানাত) ধূৱা-পখলা কৰা এটা কষ্টকৰ কাম হৈ আছে। কাদিয়ানত এই কাম শ্ৰমিকক পাৰিশ্ৰমিক দি কৰোৱা হয়। কিন্তু বৃটেইনত এই কাম বৰ মনোযোগ আৰু আগ্ৰহেৰে কৰ্মী সকলে কৰি থাকে। আকৌ আছে খাদ্য দ্ৰব্য পৰিৱেশন কৰা বিভাগ, ইয়াতেও এইবাৰ উন্নত মানৰ ব্যাৱস্থা কৰিবলৈ চেষ্টা কৰা হৈছে। ভোজনৰ প্যাণ্ডেল আহল-বহল কৰা হৈছে যাতে অতিথি সকলে আৰামত আৰু কম সময়তে আহাৰ আদি কৰিব পাৰে।

ইয়াৰ পিছত আছে পৰিস্কাৰ পৰিচ্ছন্ন বিভাগ আৰু গাড়ী পাৰ্কিং বিভাগ। আনহাতে জলছা ময়দানতেও আছে বিভিন্ন বিভাগ। ছিকিউৰিটি বিভাগটো অতি গুৰুত্বপূৰ্ণ বিভাগ। এনেদৰে আৰু কিছুমান বিভাগ আছে, যিবোৰ নিজৰ নিজৰ কামত প্ৰত্যেকটোৱেই গুৰুত্বপূৰ্ণ বিভাগ। এই সকলোবোৰ কামৰ বিভাগবোৰত কৰ্মী সকলে নিষ্ঠাৰে সৈতে কাম কৰাৰ তৌফিক লাভ কৰিছে। এনেদৰে মহিলা সকলেও খিদমত কৰাৰ তৌফিক লাভ কৰিছে। আল্লাহ তায়ালা এওঁলোকক অতি সুন্দৰ ভাৱে কাম সম্পাদন কৰাৰ তৌফিক দান কৰক। যেনেকৈ সদায় মই কৰ্মী বৃন্দক কৈ থাকো যে আপোনালোকে যি আগ্ৰহ আৰু

মনোযোগ সহকাৰে নিজকে নিজে হজৰত মছিহ মাওউদ (আঃ) হজৰত মছোহি মাওউদ (আঃ)ৰ অতিথি সকলতৰ আলপৈচানৰ নিমিত্তে আগবঢ়াই দিছে, সেই আগ্ৰহ আৰু মনোযোগ কামৰ শেষ সময়লৈকে অটুট ৰাখিব। আপোনালোকৰ এই বিষয়টো তেতিয়া প্ৰকাশ পাব যে আপোনালোকে নিশ্চয় নিজৰ নিজৰ আগ্ৰহ অটুট ৰাখিছে যেতিয়া আপোনালোকে আনন্দমুখৰ হৈ অতিথি সকলেৰ সৈতে আদৰ সন্মানেৰে নিজৰ আচাৰ আচৰণ প্ৰদৰ্শন কৰিব। গতিকে নাৰী পুৰুষ উভয়ে কৰ্মী সকলৰ যিসকলে এই জলছাৰ অতিথি সকলৰ খিদমতৰ নিমিত্তে বিভিন্ন বিভাগত কাম কৰি আছে, তেওঁলোকে এয়া সদায় মনত ৰখা উচিত যে তেওঁলোকে এই জলছাত উপৰেঞ্চি নেকি অৰ্জন কৰি আছে আৰু বৰকতেৰে কল্যাণ মণ্ডিত হৈ আছে। অতিথিৰ আলপৈচান ধৰা আল্লাহ তায়ালাৰ পছন্দনীয় কাম। আল্লাহ তায়ালা এই কাম ইমানেই পছন্দ কৰে যে খোদা তায়ালা হজৰত ইব্ৰাহিম (আঃ)ৰ উপমাৰে বিষয়টো কোৰ-আন মজিদত দুবাৰ উল্লেখ কৰিছে। যদি অতিথি সকলক আহাৰ পানীয় দিয়াটো এটা সাধাৰণ কথা হলহেঁতেন তেন্তে অতিথি অহা সম্পৰ্কে প্ৰত্যেকবাৰ তেওঁলোকৰ পান আহাৰ কাৰোবাৰ কথা উল্লেখ নকৰিলেহেতেঁন।

এই বিষয়ে ভাৱিবলৈ আহজৰত (ছাঃ) ৰ জীৱনাদৰ্শ আমাৰ সন্মুখত বিদ্যমান আছে। আঁহজৰত (ছাঃ)য়ে আল্লাহ তায়ালা আৰু আখেৰাতৰ ওপৰত ঈমান ৰাখোঁতা সকলক, যি তিনিটা বিষয়ত আদেশ দিছে, সেইবোৰ হল এনেকুৱা যিটো পাৰস্পৰিক অধিকাৰৰ সৈতে সম্পৰ্কিত, সামাজিক শান্তি প্ৰতিষ্ঠাৰ সৈতে সম্পৰ্কিত। ইয়াৰে প্ৰথমটো হল যে উত্তম কথা কবা নহলে মনে মনে থাকিবা, অযথা কথাত শপত খাই অশান্তিৰ জন্ম নিদিবা, পৰস্পৰে মনোমালিন্যৰ জন্ম নিদিবা। মোমিন এজনে বেয়া আৰু অযথা অৰ্থহীন কথা বতৰা নাপাতে। দ্বিতীয় বিষয়টো হল নোজিৰ প্ৰতিবেশিক সন্মান কৰা। প্ৰতিবেশিৰ এটা ডাঙৰ অধিকাৰ আছে, তাৰ খা-খবৰ ৰাখিব লাগিব, তাৰ সৈতে ভাল আচৰণ কৰিব লাগিব। তৃতীয় বিষয় হল নিজৰ অতিথি সকলক সন্মান আৰু আলপৈচান ধৰা। এখন সুন্দৰ আৰু শান্তিপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ্থে এই বিষয় সমুহ হল বুনিয়াদী বিষয়। আল্লাহ তায়ালাৰ আদেশৰ ভিতৰত এয়াও এটা আদেশ আৰু এয়া হল মোমিন সকলৰ প্ৰতিক চিহ্ন। আঁহজৰত (ছাঃ)ৰ ওচৰত যেতিয়া বেছি বেছি অতিথি আহিছিল, তেতিয়া তেখেত (ছাঃ) য়ে সেই অতিথি সকলক চাহাবা সকলৰ মাজত ভগাই দিছিল। আকৌ পিছলৈ সেই অতিথি সকলক সুধিছিল যে কি ! তোমাৰ ভাই সকলে ভালদৰে আলপৈচান ধৰিছেনে ? যিহেতু চাহাবা সকলে সকলো কথাই আঁহজৰত (ছাঃ)ৰ পৰা শিকিছিল, তেখেত (ছাঃ) ৰ পৰাই কল্যাণ প্ৰাপ্ত আছিল, সেয়ে এওঁলোকে অতিথি আলপৈচানত এনেকুৱা কৰিছিল যে অতিথি সকলে কবলৈ বাধ্য হৈছিল যে আমাক আলপৈচানকাৰীয়ে নিজতকৈও ভালদৰে ৰাখিছে আৰু খুৱাইছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আমাক কেৱল এই বিষয়ে নিযুক্ত কৰা হৈছে যে আনি যেন অতিথি সকলৰ বিশেষ ভাৱে আলপৈচান কৰো। আল্লাহ তায়ালা আজি আগতকৈ জমাতক বহু বেছি সা-সৰঞ্জাম আদিত সুবিধা প্ৰদান কৰিছে। আজি জামাতৰ নিজামৰ অধীনত অতিথি সৎকাৰৰ ব্যাৱস্থা কৰা হয়। কিন্তু চাহাবা সকলৰ অৱস্থা এনে নাছিল, কোনো ধৰণৰ মৰকজি ব্যাৱস্থাপনা নাছিল। আনহাতে তেখেত সকলৰ নিজৰ অৱস্থাও এনেকুৱা নাছিল যে কোনো সুবিধা কৰি লয়। বৰং এনে ঘটনাৰ উল্লেখ পোৱা যে লৰা-ছোৱালীক ভোকাতুৰ বাবে শুৱাই দি নিজেও ভোকে থাকি অতিথিক যিমানখিনি পাৰিছিল পান-আহাৰ কৰাইছিল। আল্লাহ তায়ালাও তেখেতৰ এই কামক বখনাইছিল আৰু সন্তুষ্ট হৈছিল আৰু আঁহজৰত (ছাঃ)ক এই সম্পৰ্কে খবৰ জনাইছিল। গতিকে সেই সকল লোকৰ জীৱণাদৰ্শ আমি নিজৰ কৰি লোৱাৰ লোৱাৰ আদেশ দিছে। চাহাবা সকলে ত্যাগ স্বীকাৰ কৰি অতিথি আলপৈচান ধৰিছিল আৰু আজিকালি আল্লাহ তায়ালাৰ কৃপাত হজৰত মছিহ মাওউদ (আঃ)ৰ জমাতত বহু লোক আছে, যি সকলে আত্ম বলিদানৰ আগ্ৰহৰে অতিথি সৎকাৰ কৰি গৈছে আৰু এয়াই আমি কৰি যোৱা উচিত। কৰ্মীসকল যি সকলে কৰ্মৰত আছে, তেওঁলোকৰ উচিত যে প্ৰত্যেকেই শতকৰাৰ, শতকৰাই এটা কোৰবাণীৰ আগ্ৰহেৰে স্নেহময় চৰিত্ৰ প্ৰদৰ্শন কৰি যেন অতিথি সেৱা কৰে। হজৰত মছিহ মাওউদ (আঃ)ৰ জীৱণত এনেকুৱা বহু ঘটনা আছে, যাৰ পৰা তেখেত (আঃ)ৰ অতিথি সেৱাৰ আৰু ভালপোৱাৰ উচ্চ চানেকি আমি দেখিবলৈ পাওঁ।

এবাৰ দুৰণীবটীয়া অঞ্চলৰ পৰা অহা অতিথি লঙ্গৰখানাৰ কৰ্মীৰ অস্বীকাৰৰ হেতুকে অসন্তুষ্ট হৈ ঘুৰি গৈ আছিল। বৰ্ণিত আছে যে এই খবৰ হজৰত মছিহ মাওউদ (আঃ)য়ে শুনাৰ লগে লগে খৰধৰত নিজৰ জুতা পিন্ধিবলৈও সময় কম হৈ পৰিছিল আৰু বেগেৰে সেই অতিথি সকলৰ পিছে পিছে গৈছিল। লোক সকলে ঘোঁৰা গাড়ীত (টোংগাত) গৈ আছিল এনেতে

তেওঁলোকে হজৰত মছিহ মাওউদ (আঃ)ক আহি থকা দেখা পাই গাড়ী থিয় কৰাইছিল আৰু গাড়ীৰ পৰা নামিছিল। হজৰত মছিহ মাওউদ (আঃ)য়ে গৈ তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছিল আৰু তেওঁলোকক উভতি আহিবলৈ কৈছিল আৰু গাড়ীখন ঘুৰাই লৈছিল। তেখেত (আঃ)য়ে সেই অতিথি সকলক কৈছিল যে আপোনালোকে গাড়ীত বহি যাওঁক আৰু মই আপোনালোকৰ লগত খোজ কাঢ়ি গৈ আছো। তেতিয়া সকলে লাজ পাই গাড়ীত বহা নাছিল আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ লগত খোজকাঢ়ি লঙ্গৰখানা (অতিথিশালা) পাইছিল। তেতিয়া হজৰত মছিহ মাওউদ (আঃ)য়ে নিজে তেওঁলোকৰ বস্তু নামাইছিল। তেতিয়া অতিথি শালাৰ ডেকা লৰাজনে লাজে অপমানে বেগা-বেগিকৈ আহি সেই অতিথি সকলৰ বস্তু বাহিনী আগবঢ়াই নিছিল। হজৰত মছিহ মাওউদ (আঃ)য়ে সেই সময়লৈকে তাতেই আছিল যেতিয়ালৈকে সেই অতিয়ি সকলৰ থকা, খোৱাৰ ব্যাৱস্থা সম্পুৰ্ণ হোৱা নাছিল। তেখেত (আঃ)য়ে কৰ্মী সকলক কৈছিল যে ইয়াত বহু অতিথি আহি থাকে, তাৰে কিছুমানক তোমালোকে চিনি পোৱা আৰু কিছুমানক চিনি নোপোৱা। গতিকে কৰ্তব্য হল এয়া যে সকলো অতিথিক সন্মানৰ পাত্ৰ হিচাপে অভ্যৰ্থনা আৰু আলপৈচান ধৰিবা। আৰু কৈছিল যে তোমালোকৰ ওপৰত মোৰ ধাৰণা, বিশ্বাস যে তোমালোকে অতিথি সকলক বিশ্ৰামৰ ব্যৱস্থা কৰি দিয়া। গতিকে সেই ধাৰণা আমি আজিও প্ৰতিষ্ঠিত ৰাখিব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - এতিয়া মই অতিথি সকলকও অলপ কিবা কব বিচাৰিছো।এটা কথা হল এয়া যে এজনে আনজনৰ মানসিকতাৰ প্ৰতি দৃষ্টি ৰখা সকলোৰে বাবে ফৰজ, অৰ্থ্যাৎ অতিথি আৰু আলপৈচানকাৰী দুয়ো দুয়োৰে প্ৰতি সজাগ থাকিব লাগিব। ইছলামে যত আমাক অতিথি সকলক আদৰ সম্ভাষণ আৰু সন্মান কৰাৰ আদেশ দিছে যে তোমালোকেও আলপৈচানকাৰী সকলৰ ওপৰত মাত্ৰাধিক বোজা স্বৰূপ নহবা। আঁহজৰত (ছাঃ)য়ে কৈছে যে বেছি দীঘলীয়া সময়লৈ কাৰোবাৰ ঘৰত ৰৈ থকাটো আলপৈচানকাৰীৰ বাবে বোজা স্বৰূপ। সেয়া হল এনেকুৱা যেনিবা তোমালোকে ছদকা লৈ আছা। প্ৰত্যেকৰে অৱস্থা এনে নহয় যে আৰম্ভনীৰে পৰা শেষলৈকে একেদৰে অতিথি সেৱা কৰিব পাৰে। সেয়ে অতিথি সকলৰ প্ৰতিও আদেশ আছে যে তেওঁলোকেও যেন সেৱকৰ ঘৰৰ খবৰ ৰাখে। ইয়াতে মই ইন্তেজামিয়াক কওঁ যে- আমাৰ জলছালৈ অহা অতিথি কোনোবায় যদি এমাহ কাল ইয়াতে থাকি যায় তেন্তে তাৰ সেৱা সৎকাৰ কৰিব লাগিব। এয়া নাভাবিব যে তিনি চাৰি দিনতে আমাৰ আলপৈচানৰ কাম শেষ হব। হজৰত মছিহ মাওউদ (আঃ)য়ে নিজৰ কামৰ লগত এই অতিথিশালা প্ৰতিষ্ঠাপনও এটা শাখা হিচাপে নিৰ্দ্ধাৰণ কৰিছে। গতিকে হজৰত মছিহ মাওউদ (আঃ)ৰ অতিথিশালাত অহা সকলৰ লগত উত্তম আচৰণ প্ৰদৰ্শন হোৱা উচিত।

আকৌ সুন্দৰ সামাজিক পৰিবেশৰ এটা আদেশ আছে। যাৰ ওপৰত অতিথি সকলে বিশেষকৈ এই জলছাৰ দিন কেইটাত আমল কৰা উচিত, সেয়া হল ছালাম কৰাৰ ৰীতি প্ৰতিষ্ঠা কৰা। আঁহজৰত (ছাঃ)য়ে জান্নাতত যোৱা সকলৰ এটা বৈশিষ্ট এয়া বুলি কৈছে যে তেওঁলোকে ছালাম কৰাটো এটা ৰীতিত পৰিণত কৰে। আকৌ তেখেত(ছাঃ)য়ে কৈছে যে যিজনক তুমি চিনি পোৱা অথবা যাক চিনি নোপোৱা দুয়োকে ছালাম কৰিবা। আনহাতে হজৰত মছিহ মাওউদ (আঃ)য়েও জলছাৰ উদ্দেশ্যৰ মাজত এটা উদ্দেশ্য এয়া বুলি বৰ্ণনা কৰিছে যে যাতে লোক সকলে এঠাইত গোট খায় আৰু সন্মলিত হোৱাত যেন ভালপোৱাৰ সম্পৰ্ক আৰু পৰিচয় পৰিচিতিৰ বিষয়টো পৰস্পৰৰ মাজত থকা মনোমালিন্য দুৰ হৈ যাব। আকৌ হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে জলছাত অংশগ্ৰহন কৰি এই উদ্দেশ্যও পূৰ্ণ কৰিবলৈ চেষ্টা কৰিব লাগিব যে জাগতিক ইচ্ছা প্ৰবৃত্তি নিবৃত্ত হওঁক আৰু নিজৰ মওলা কৰিম খোদা আৰু ৰছুলে মকবুল (ছাঃ)ৰ প্ৰেম অন্তৰত জাগ্ৰত আৰু জয়ী হওঁক। গতিকে এই প্ৰেম ভালপোৱা অৰ্জনাৰ্থে জলছাৰ প্ৰোগ্ৰাম সমুহত নিয়মিত অংশ লৈ মনোযোগ দি শুনক আৰু চিন্তা কৰাক। জলছা চলাকালীন আৰু এনে সাধাৰণ চলা ফুৰাত জিকৰে মচগুল থাকক আৰু বিশেষ ভাৱে চিন্তাযুক্ত হৈ বাজামাত নমাজলৈমনোযোগ দি নমাজ আদায় কৰক। আনহাতে নফল আৰু তাহাজ্জুদ নমাজলৈ ধ্যান দিয়ক। বিশেষকৈ যিসকলে ইয়াতে থাকে তেওঁলোকে ইয়াৰ পৰিবেশ সুন্দৰ আৰু পবিত্ৰ কৰিবলৈ চেষ্টা কৰি থাকক লগতে নিজৰ অৱস্থা উন্নতি সাধনৰ চেষ্টা কৰক।

এনেদৰে ইয়াৰ ব্যাৱস্থাপনা হিচাপে অতিথি সকলে এই বিষয়ে লক্ষ্য ৰাখিব যে অস্থায়ী আৰু বহুল ব্যাৱস্থাৰ ক্ষেত্ৰত অলপ অভঅৱ অভিযোগ থাকি যাব পাৰে। গতিকে যদি কৰাবত এনেকুৱা অৱস্থা পৰিলক্ষিত হয় তেন্তে সেইফালে দৃষ্টিগোচৰ নকৰিব। অতিথি সকলৰও এয়া দায়িত্ব আছে যে ব্যাৱস্থাপনাত ৰৈ থকা দুৰ্বলতা এৰাই চলিব আৰু যদি পাৰে তেন্তে সেই অভাৱ দূৰ কৰিবলৈ কৰ্মী সকলৰ লগত সহ-যোগিতা কৰিব। মই দেখিবলৈ পাইছো যে কিছুমান অতিথি সকলে বৰ

আনন্দৰে নিজেই সেৱক হিচাপে কাম কৰিবলৈ আৰম্ভ কৰি দিয়ে। মুঠতে এনেকুৱা আগ্ৰহই এজন আহমদীৰ অন্তৰত জন্ম লোৱা উচিত। এয়াই হল সেই প্ৰকৃত ৰূহ, যিয়ে পৰস্পৰৰ মাজত এটা পবিত্ৰ সমাজ প্ৰতিষ্ঠা কৰে। অতিথি সকলে কেৱল কৰ্মবৃন্দৰ পৰীক্ষা লৈ আৰু পৰ্যবেক্ষন কৰি সময় নষ্ট নকৰিব বৰং প্ৰয়োজনত প্ৰত্যেক বিভাগতেই সহায়কাৰী হিচাপে অৱস্থান কৰক। এনেদৰে গাড়ী পাৰ্কিংত মাজে সময়ে যান-জটৰ ফলত ঠেলা হেচাঁ লাগি যায়, এনে অৱস্থাত গাড়ীত অহা সকলে ধৈৰ্য্য সহকাৰে ইন্তেজামিয়া অৰ্থ্যাৎ কৰ্মী সকলৰ সৈতে সহযোগিতা কৰিব। আনহাতে প্ৰবেশ দ্বাৰত, যত চেকিং, নিৰীক্ষণ ব্যাৱস্থা কৰা হৈছে, তাত প্ৰত্যেকেই সম্পুৰ্ণ ভাৱে ধৈৰ্য্য প্ৰদৰ্শনেৰে চেকিংৰ কাম সম্পুৰ্ণ হবলৈ দিব।

আকৌ জলছা ময়দানত বহা সকলে নিজৰ সোফালে-বাওঁফালে দৃষ্টি ৰাখিব। এনেদৰে চলা ফুৰা কৰোঁতে পৰিৱেশ পৰিস্থিতিৰ ওপৰত নজৰ দিব। ছিকিউৰিটিৰ জৰিয়তে পৰিচালনা সমিতিয়ে যি নিৰ্দেশ দিয়ে, তাৰ ওপৰত আমল কৰিবলৈ চেষ্টা কৰিব। আটাইতকৈ ডাঙৰ কথা হল জলছাৰ কৃতকাৰ্যতা আৰু নিজে জলছালৈ অহাৰ উদ্দেশ্য পূৰ্ণ কৰিবলৈ আৰু প্ৰত্যেক চয়তানৰ চয়তানীৰ পৰা ৰক্ষা পাবলৈ সদায় দোৱা কৰিব। এই দিন কেইটাত পাকিস্থানত থকা আহমদী সকলৰ অৱস্থা সম্পৰ্কে দোৱা কৰিব। আল্লাহ তায়ালা যেন তেওঁলোকৰ নিৰাপদ জীৱন দান কৰে। আল্লাহ তেওঁলোকক সকলো বিপদৰ পৰা ৰক্ষা কৰক। বিৰুদ্ধবাসী সকলৰ ষড়যন্ত্ৰ ব্যাৰ্থ কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়াৰ পিছত এম-টি-এৰ ফালৰ পৰা এটা ঘোষনা জাৰি কৰে যে আলি ইয়াৰ এটা নতুন ওয়েব লাইন খোলা হব, যি স্মাৰ্ট টিভি হব। যিকোনো ৰাষ্টত এই ওয়েব ডাউন লোড কৰি এল-জি-ফিলিপচ, ইমাজনফেয়াৰ টিভি, চুফি আৰু এনড্ৰয়েটৰ টিভি ছেটত ডিচ, এণ্টেনা নোহোৱাকৈ এম-টি-এৰ সকলো চ্যানেল দেখিব পৰা যাব। আল্লাহৰ কৃপাত বৰ্হিদেশত থকা সকলে ইয়াৰ দ্বাৰা লাভবান হব পাৰিব। নমাজে জুমাৰ পিছত এয়া উদ্বোধনী কৰা হব। আল্লাহ এই জলছা সকলো ফালেৰে কল্যাণ মণ্ডিত কৰক আৰু আপোনালোকে ইয়াৰ দ্বাৰা লাভ আহৰণ কৰাৰ তৌফিক লাভ কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 2 August.. 2019**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**